# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 27-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ গোৱাত আজি ভাৰত শক্তি সপ্তাহৰ চতুৰ্থ সংস্কৰণ ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব।

২। বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কালি নতুন দিল্লীৰ লালকিল্লাত ৰাষ্ট্ৰীয় সংস্কৃতি আৰু পৰ্যটন উৎসৱ- ভাৰত পৰ্ব ২০২৬ উদ্বোধন কৰে।

৪। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে বিশ্বৰ সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় নাট্য মহোৎসৱ- **ভাৰত ৰংগ মহোৎসৱ**ৰ ২৫ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে। *আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বডোডৰাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ১৫ ৰানত পৰাজিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ গোৱাত আজিৰে পৰা অনুষ্ঠিত হ'বলগীয়া ভাৰত শক্তি সপ্তাহৰ চতুৰ্থ সংস্কৰণ ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনৰ প্ৰতিনিধিসকলক ভাৰ্চুৱেলী সম্বোধন কৰিব। আফ্ৰিকা, মধ্য প্ৰাচ্য, মধ্য এছিয়া আৰু গ্লোবল ছাউথৰ জ্যেষ্ঠ মন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰী, সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উদ্যোগ আৰু উন্নত প্ৰযুক্তি মন্ত্ৰী ড০ ছুলতান আহমেদ অল জাবেৰ, কানাডাৰ শক্তি আৰু প্ৰাকৃতিক সম্পদ মন্ত্ৰী টিম হ'ডছন এই উদ্বোধনী কাৰ্যসূচীত উপস্থিত থাকিব। ভাৰত শক্তি সপ্তাহে শক্তি সুৰক্ষা উন্নত কৰাৰ লগতে বিনিয়োগক আকৰ্ষিত কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিব। তিনিদনীয়া এই সন্মিলনত আমেৰিকা, ইউৰোপ, মধ্য প্ৰাচ্য, আফ্ৰিকা আৰু এছিয়া, প্ৰশান্ত মহাসাগৰীয় দেশসমূহে গোলকীয় শক্তি কূটনীতি সন্দৰ্ভত ভাৰত শক্তি সন্মিলনৰ বৰ্ধিত ভূমিকা সন্দৰ্ভত আলোকপাত কৰিব। এই শক্তি সন্মিলনে শক্তি সুৰক্ষা, অৰ্থনৈতিক আৰু স্থায়ী বিকাশ সন্দৰ্ভত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। এই সন্মিলনত ১২০ খনৰো অধিক দেশৰ ৭৫ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে ভাগ লোৱাৰ সম্ভাৱনা আছে।

ooooo

বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেতবোৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ লগতে সদনৰ কাম-কাজ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। মূল সমিতি কক্ষত এই বৈঠক অনুষ্ঠিত হ'ব আৰু কাইলৈৰ পৰা ২ এপ্ৰিল পৰ্যন্ত চলিবলগীয়া অধিৱেশনৰ সময়ছোৱাত উত্থানৰ সম্ভাৱনা থকা মূল ৰাষ্ট্ৰীয় বিষয়সমূহৰ লগতে

সদনৰ কাম-কাজ সন্দৰ্ভত বৈঠকত বিতংভাৱে আলোচনা কৰা হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰী পৰ্যন্ত বাজেট সত্ৰৰ প্ৰথম পৰ্যায় অনুষ্ঠিত হোৱাৰ লগতে ৯ মাৰ্চৰ পৰা ২ এপ্ৰিল পৰ্যন্ত ইয়াৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত হ'ব। বাজেট অধিৱেশনত মুঠ ৩০ দিন বৈঠক অনুষ্ঠিত হ'ব আৰু পহিলা ফেব্ৰুৱাৰীত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আনুষ্ঠানিকভাৱে এই অধিৱেশন মুকলি কৰি লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক সম্বোধন কৰিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কালি নতুন দিল্লীৰ লালকিল্লাত ছদিনীয়া ৰাষ্ট্ৰীয় সংস্কৃতি আৰু পৰ্যটন উৎসৱ- ভাৰত পৰ্ব ২০২৬ উদ্বোধন কৰে। কালিৰ এই কাৰ্যসূচীৰ সময়ত শ্ৰীবিৰলাই কয়, যে এই মহোৎসৱে ভাৰতীয় সাংস্কৃতিক ঐতিহ্য শক্তিশালী কৰাৰ এখন মঞ্চ প্ৰদান কৰিব। তেওঁ কয়, যে এই মহোৎসৱৰ জৰিয়তে জনসাধাৰণে দেশৰ বিভিন্ন ৰাজ্য আৰু অঞ্চলৰ সংস্কৃতি উপভোগ কৰাৰ সুযোগ লাভ কৰিব। দেশৰ পৰ্যটনৰ সম্ভাৱনা বৃদ্ধি কৰাৰ ক্ষেত্ৰত এই মহোৎসৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি শ্ৰীবিৰলাই লগতে উল্লেখ কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে ন্যায়, স্বতন্ত্ৰতা, সমতা আৰু বন্ধুত্ব আদি সংবিধানৰ আদৰ্শ সন্দৰ্ভত আলোকপাত কৰি কয়, যে ভাৰত পৰ্ব কাৰ্যসূচী এই আদৰ্শসমূহৰ সৈতে জনসাধাৰণৰ মাজত এখন সেতু হিচাপে কাম কৰিব। এই উপলক্ষে দিয়া ভাষণত সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে এই মহোৎসৱৰ জৰিয়তে দৰ্শনকাৰীসকলে দেশৰ পৰম্পৰা, লোককলা, হস্তশিল্প, খাদ্য সম্ভাৰ আৰু পৰ্যটনস্থলীসমূহৰ বিষয়ে অধিক জ্ঞান আহৰণ কৰিব পাৰিব আৰু ইয়াৰ জৰিয়তে দেশৰ ঐতিহ্যৰ সৈতে জনসাধাৰণৰ সংযোগ অধিক শক্তিশালী কৰাত সহায় হ'ব। মহোৎসৱত ৩৪ খন ৰাজ্যৰ পৰ্যটন পেভেলিয়ন আৰু কেন্দ্ৰীয় মন্ত্ৰালয়ৰ ২৪ খন বিপণীৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ আগশাৰীৰ প্ৰতিষ্ঠান আৰু সংস্থাৰ বিপণী থাকিব।

০০০০০

ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় NSDয়ে বিশ্বৰ সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় নাট্য মহোৎসৱ ভাৰত ৰং মহোৎসৱৰ ২৫ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে। আজি আৰম্ভ হ'বলগীয়া এই মহোৎসৱ অহা ২০ ফেব্ৰুৱাৰীলৈ চলিব। এইবাৰ নতুন ইতিহাস ৰচি এই মহোৎসৱ দেশৰ ৪০টা স্থানত মঞ্চস্থ কৰা হ'ব, য'ত সাতখন মহাদেশৰ প্ৰতিখন দেশৰ পৰা অন্ততঃ একোটাকৈ প্ৰযোজনা সন্নিৱিষ্ট থাকিব। মহোৎসৱত ১৩৬খন নিৰ্বাচিত নাটক আৰু আমন্ত্ৰিত প্ৰযোজনাৰ লগতে মুঠ ২৭৭খন ভাৰতীয় প্ৰযোজনাৰ লগতে ১২খন আন্তঃৰাষ্ট্ৰীয় প্ৰযোজনাৰ নাটক মঞ্চস্থ কৰা হ'ব। এই প্ৰযোজনাসমূহে ২২৮টা ভাৰতীয় আৰু বিদেশী ভাষা আৰু উপভাষাৰ পৰিৱেশন সামৰি ল'ব, যাৰ জৰিয়তে ভাষিক বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভাৰত ৰং মহোৎসৱ বিশ্বৰ সৰ্ববৃহৎ নাট্য উৎসৱ হিচাপে পৰিগণিত হ'ব। এই সংস্কৰণে প্ৰায় সকলো প্ৰধান ভাৰতীয় ভাষা আৰু কেইবাটাও জনজাতীয় আৰু বিলুপ্তপ্ৰায় ভাষাৰ সমান্তৰালকৈ মৈথিলি, ভোজপুৰী, তুলু, উৰ্দু, সংস্কৃত, টাই খামতী, নীছি ভাষাত পৰিৱেশনেৰে দেশৰ ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ্যতাক প্ৰতিফলিত কৰিব।

০০০০০

বিজেপিৰ নৱনিযুক্ত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আজি তেওঁ প্ৰথম চৰকাৰী কাৰ্যসূচীৰে পশ্চিমবংগলৈ যাব। দুদিনীয়া এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীনবীনে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলৰ তৃণমূল পৰিকাঠামো শক্তিশালী কৰাৰ উদ্দেশ্যে কেইবালানিও গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ দুৰ্গাপুৰত দলৰ ৰাজ্যিক মূল সমিতিৰ বৈঠকত অধ্যক্ষতা কৰি সাংগঠনিক কৌশল, ৰাজনৈতিক ৰূপৰেখা আৰু ভৱিষ্যতৰ কাৰ্যসূচী সন্দৰ্ভত আলোকপাত কৰিব। কাইলৈ তেওঁ পূব বৰ্ধমানৰ চিত্ৰালয় মেলা ময়দানত আয়োজিত বৰ্ধমান বিভাগ কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰি দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। বিয়লিৰ ভাগত তেওঁ ৰাণীগঞ্জত আছানছ'ল জিলা কৰ্মকৰ্তাসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব আৰু সাংগঠনিক বিষয় সন্দৰ্ভত আলোচনা কৰাৰ লগতে জিলা পৰ্যায়ত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে তেওঁলোকৰ কাম-কাজ সন্দৰ্ভত মত বিনিময় কৰিব।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বডোডৰাৰ বি চি এ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ১৫ ৰানত পৰাজিত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰণ কৰি দিয়া ২০০ ৰানৰ লক্ষ্যৰে খেলিবলৈ লৈ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাই ইণ্ডিয়ানছৰ হৈ হেলী মেথিউজে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে শ্বাবনীম ইছমাইল এমেলিয়া কেৰে দুটাকৈ আৰু অমনজ্যোত কৌৰে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ ১৯৯ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ নেট ছাইবৰ ব্ৰণ্টে সৰ্বাধিক ১০০ ৰান কৰি অপৰাজিত হৈ ৰয়। হেলী মেথিউজে ৫৬ ৰানৰ বৰঙণি আগবঢ়ায়। নেট ছাইবৰ ব্ৰণ্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ লৰেন বেলে দুটা উইকেট দখল কৰাৰ লগতে নাদিন ডি ক্লাৰ্ক আৰু শ্ৰেয়াংকা পাটিলে এটাকৈ উইকেট লাভ কৰে। মুম্বাই ইণ্ডিয়ানছে এই পৰ্যন্ত ৬ খন খেলৰ পৰা ৬ পইণ্ট লাভ কৰাৰ বিপৰীতে ইতিমধ্যে প্লে অফ পৰ্যায়লৈ উন্নীত হোৱা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৭ খন খেলৰ পৰা ১০ পইণ্ট লাভ কৰিছে।

প্ৰতিযোগিতাত আজি বডোডৰাত একেখন খেলপথাৰতে দেলহী কেপিটেলছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ইউৰোপীয় সংঘ-ভাৰত নিৰাপত্তা আৰু প্ৰতিৰক্ষা অংশীদাৰিত্ব চুক্তি আজি স্বাক্ষৰিত হ'ব বুলি ইউৰোপীয় আয়োগৰ উপাধ্যক্ষ কাজা কালাছে সদৰী কৰিছে।ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এণ্টনিঅ' লুইছ্ ছাণ্ট'ছ ডি কোষ্টা আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষা উৰ্ছুলা ভন ডেৰ লেয়েনে সম্প্ৰতি ভাৰত ভ্ৰমণ কৰিছে আৰু ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে দুয়ো উপস্থিত আছিল। আজি ভাৰত-ইউৰোপীয় সংঘৰ ষোড়শ সন্মিলনত দুয়ো সহ-অধ্যক্ষতা কৰিব ।

শ্ৰীমতী কালাছে লগতে মন্তব্য কৰিছে যে, ভাৰত আৰু ইউৰোপীয় সংঘ ঘনিষ্ঠ সহযোগিতাৰ দিঅহে অগ্ৰসৰ হৈছে আৰু ইউৰোপীয় সংঘ ইয়াৰ দ্বাৰা লাভৱান হৈছে। দুয়োখন

দেশৰ মাজত গভীৰ হৈ অহা সম্পৰ্কৰ প্ৰতীক হিচাপে ইউৰোপীয় সংঘৰ নৌসেনাৰ আটালান্টা আৰু এছপিডেছৰ জোৱানে প্ৰথমবাৰলৈ গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰা বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

বেদান্তা কালিঙ্গা লেঞ্চাৰ্ছে পুৰুষ হকী ইণ্ডিয়া লীগৰ খিতাপ দখল কৰিছে। কালি ভুৱনেশ্বৰৰ কলিংগা হকী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত দলটোৱে ৰাঞ্চি ৰয়েলছক ৩-২ গ'লত পৰাস্ত কৰে। লেঞ্চাৰ্ছৰ হৈ এলেক্সেণ্ডাৰ হেণ্ড্ৰিক্স আৰু দিলপ্ৰীত সিঙে গ'লকেইটা দিয়াৰ বিপৰীতে ৰাঞ্চি ৰয়েলছৰ হৈ অৰাইজীত সিং হুণ্ডল আৰু অধিনায়ক টম বুনে দুটা গ'ল পৰিশোধ কৰিবলৈ সমৰ্থ হয়। এই জয়ৰ সুবাদত বেদান্ত কলিংগা লেন্সাৰ্ছে ৩ কোটি টকা, বিজিত ৰাঞ্চি ৰয়েলছে ২ কোটি আৰু তৃতীয় স্থান দখল কৰা হায়দৰাবাদ টুফানছে ১ কোটি টকাৰ পুৰস্কাৰ লাভ কৰিছে। তামিলনাডু ড্ৰেগনছৰ গ'লৰক্ষক প্ৰিন্স দীপ সিঙে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ গ'লৰক্ষকৰ সন্মান আৰু এইচ আই এল জি চিৰ তালেম প্ৰিয়বাৰ্তাই প্ৰতিযোগিতাখনৰ উদীয়মান খেলুৱৈৰ বঁটা লাভ কৰে। ৰাঞ্চি ৰয়েলছৰ অধিনায়ক টম বুনে ১৯টা গ'ল দি প্ৰতিযোগিতাখনৰ সৰ্বোচ্চ গ'লদাতাৰ সন্মান লাভ কৰাৰ উপৰি হায়দৰাবাদ তুফান্সৰ অমনদীপ লাক্ৰাই প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০

সমাপ্ত